# ৰেঙণি

ফাউণ্ডাৰ ষান্মাসিক সংখ্যা

অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত

আলোচনী

দ্বিতীয় সংস্কৰণ

## শাৰদীয় বিশেষ সংখ্যা


দ্য অসম ভেলী স্কুল

বালিপাৰা ,শোণিতপুৰ -৭৮৪১০১

অসম

# শাৰদীয় অনুভৱেৰে ---

## দেৱী দুৰ্গা

মাধুৰ্য্য মাধৱ
সপ্তম শ্ৰেণী

ব্ৰহ্মাৰ বৰদানৰ বাবে পৃথিৱীত যেতিয়া মহিষাসুৰ নামে অসুৰৰ অত্যাচাৰ বাঢ়ি যায় তেতিয়া তেওঁক বধ কৰাৰ কাৰণে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু আন আন দেৱতাসকলৰ সামূহিক শক্তিৰ দ্বাৰা দেৱী দুৰ্গাৰ জন্ম হয়। দেৱী দুৰ্গাই মহিষাসুৰক বধ কৰাৰ বিজয়ী উৎসৱ হিচাপে দুৰ্গা পূজা পালন কৰা হয়। কোৱা হয় যে এই সময়ত দুৰ্গা গোসানীয়ে সতী-সন্ততি সমূহক লগত লৈ মাকৰ ঘৰলৈ যায়। সেয়েহে দুৰ্গা গোসানীৰ লগত লক্ষ্মী, সৰস্বতী, গণেশ, কাৰ্তিক আদি থাকে। পশ্চিমবঙ্গ আৰু অসমত এই পূজা মহা ধুমধামেৰে পতা হয় যদিও পাঁচদিনীয়াকৈ পতা এই পূজা বৰ্তমান ভাৰতৰ বাকী ৰাজ্যসমূহতো বৰ উলহ-মালহেৰে পতা দেখা যায়। গোটেই পূজাস্থলী বিভিন্ন আলোক সজ্জাৰে পোহৰাই তোলা হয়। মানুহৰ মনত আনন্দ-ফূৰ্তিৰ সীমা নোহোৱা হয়। চাৰিওফালে এক উখল-মাখল পৰিবেশৰ সৃষ্টি হয়।

দুৰ্গা দেৱী হৈছে শক্তিৰ প্ৰতীক। তেওঁৰ দহখন হাতত দহবিধ বেলেগ বেলেগ অস্ত্ৰ থাকে। প্ৰকৃততে এই পূজাই দুষ্কৃতিক দমন কৰি শান্তক পালন কৰা বুজায়। অৰ্থাৎ বেয়া শক্তিৰ ওপৰত ভাল শক্তিৰ বিজয়ী ঘোষণা।

এই পূজাৰ সময়ত সাধাৰণতে স্কুল-কলেজসমূহ বন্ধ দিয়া হয়। পূজাৰ পেণ্ডেলসমূহ চকুত লগাকৈ সজাই তোলা হয়। পেণ্ডেলৰ বাহিৰত বিভিন্ন ধৰণৰ দোকান দিয়া হয়। কোনো কোনো ঠাইত ডাঙৰ মেলাও হয়। লৰা-ছোৱালী, ডেকা- বুঢ়া, পুৰুষ-মহিলা আটায়ে এই পূজাৰ আনন্দত ভাগ লয়। আটায়ে নিজৰ সাধ্য অনুযায়ী নতুন কাপোৰ লয়। কিন্তু পূজাৰ শেষত দশমীৰ দিনা দেৱীক বিসৰ্জন দিয়া হয় আৰু ইমান দিনৰ পৰা চলি থকা পূজাৰ উখল-মাখলৰ সেইদিনা ওৰ পৰে।



# মহা আনন্দৰ দুৰ্গা পূজা

প্ৰিয়ানী শৰ্মা
ষষ্ঠ শ্ৰেণী

দুৰ্গা পূজাত দেৱী দুৰ্গাক দুৰ্গতিনাশিনী বা অসুৰনাশিনী ৰূপত পূজা কৰা হয়। কিয়নো এবাৰ তেওঁ অসুৰ ৰজা মহিষাসুৰক বধ কৰি স্বৰ্গত দেৱতাসকলৰ পুনৰ শান্তি প্ৰতিষ্ঠা কৰিছিল। দুৰ্গাদেৱীৰ বাহন হৈছে সিংহ। তেওঁক শক্তিৰ অধিষ্ঠাত্ৰী দেৱী বুলিও কোৱা হয়। দেৱী দুৰ্গাৰ লগত সোঁফালে লক্ষ্মী আৰুগণেশ, বাওফালে সৰস্বতী আৰু কাৰ্ত্তিক থাকে।

দুৰ্গা পূজা এটা আনন্দময় উৎসৱ । এই উৎসৱ পাঁচদিনীয়াকৈ পালন কৰা হয়। ষষ্ঠীৰ দিনাখন কেৱল দেৱীক আৱাহন আৰু অধিবাহহে কৰা হয়। সেইদিনা কিন্তু পূজাত বৰ ভিৰ নহয়। আমি আটায়ে মা দুৰ্গাৰ ওচৰত ভোগ আৰু শৰাই আগবঢ়াও যাতে বছৰটো আটাইৰে ভালে কুশলে যায়। পৰিয়ালৰ সকলো যেন ভালে থাকে তাৰবাবে দেৱীৰ ওচৰত প্ৰাৰ্থনা জনাও। আমাৰ ঘৰৰ ওচৰত যিহেতু পূজা হয় গতিকে সেইকেইদিন আমাক কোনে পায়। সেইকেইদিন আমি তাতেই ভোগ খাওঁ। কি যে ভাল লাগে পূজাৰ ভোগ খাই। তাৰোপৰি পূজা আহিলে মোৰ মনটো খুব ভাল লাগি থাকে। মোক মা-দেউতাই কাপোৰ দিয়াৰ উপৰিও ককা-আইতায়ো কাপোৰ দিয়ে। তাৰোপৰি বৰদেউতা, খুড়া, মাহী, জেঠাইহঁতেও কাপোৰ দিয়ে। মুঠৰ ওপৰত মই আৰু মোৰ বায়ে সকলোৰে পৰা পূজাত বহুত মৰম-আদৰ পাওঁ।

পূজাত মণ্ডপবোৰ বৰ চকুত লগাকৈ সজোৱা হয়। বিভিন্ন ধৰণৰ লাইট দি পূজা মণ্ডপবোৰ বৰ মনোমোহাকৈ সজাই তোলা হয়। সন্ধিয়া আমি নতুন নতুন কাপোৰ পিন্ধি বেলেগ বেলেগ পূজা চাবলৈ যাও আৰু ৰাষ্টাৰ কাষৰ দোকানবোৰত নানা ধৰণৰ চকুত চমক লগোৱা বস্তুবোৰ চাও আৰু কেতিয়াবা কিনিও লও। দোকানত ওলোমাই থোৱা বেলুনবোৰ দেখিলে মই ৰ'বই নোৱাৰা হও। দেউতাই জানেই , সেয়ে বেলুন অলপ কিনি দিয়ে। সৰুতে মই পেঁপা আৰু পিষ্টলো লৈছিলো, কিন্তু আজি কালি লবলৈ লাজ লাগে।

মই মিঠাই খাই খুব ভাল পাওঁ। বিশেষকৈ দোকানত ওলোমাই থোৱা ডাঙৰ জিলাপীখন দেখিলেই জিভাৰ পানী ওলাই আহিব খোজে। দোকানৰ আগত বৈ গৰম গৰম জিলাপী খোৱাৰ মজাই বেলেগ। দেউতাই পূজাৰ দিনকেইটাত সদায় ঘৰলৈ জিলাপী আনে। আনহাতে আমি গোটেইবোৰ লগ লাগি ৰাতিৰ সাজ বাহিৰলৈ খাবলৈ যাও। পূজা বুলি ক'লে আটাইবোৰ ঘৰলে আহে বাবে আমি আটাইবোৰ ভাই-ভনী মিলি খুব আনন্দ ফূৰ্তি কৰো। পূজাৰ কেইদিন মই ৰাতিপুৱা শোৱাৰ পৰা সোনকালে উঠো। কাৰণ ঘৰৰ সন্মুখত তলসৰি পৰি থকা শেৱালি ফুল বুটলি মই আৰু ভন্টিয়ে মালা গাঠোঁ। পাৰিলে সদায় সদায় এডাল এডাল মালা দুৰ্গা গোসানীক দি মনটো ভৰাই পেলাও কিন্তু দশমীৰ দিনা মনটো বৰ বেয়া লাগে। কিয়নো সেইদিনা দেৱীক বিসৰ্জন দিয়া হয়। পূজাথলীখন একেবাৰে খালি হৈ পৰে । আমাৰো মনবোৰ সেমেকি আহে । কাৰণ আমিও নিজ নিজ থকা ঠাইলৈ উভতি আহিবলগীয়া হয়। তথাপিও সিদিনা বাটে বাটে হৈ থকা মেলাবোৰ চাবলৈ যাও আৰু ভাল লগা নানা ধৰণৰ খেলনা ,বেলুন, পেঁপা আদি হাতত লৈ আৰু মিঠাই খাই ঘৰলৈ আহো। প্ৰতিবাৰ দুৰ্গা পূজাতেই মই খুব আনন্দ ফূৰ্তি কৰো। সেয়ে পূজা কেতিয়া আহিব বুলি মাক সুধি সুধি বৰ আমনি কৰো। পূজা অহাৰ সেই দিনকেইটালৈ মই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকো।

## এইবাৰ পূজাত মই কি কৰিলো

অৰ্চন এ বাইলুং
পঞ্চম শ্ৰেণী

প্ৰথমতেই মই মা দুৰ্গাক প্ৰণাম জনাইছো। সৰুৰেপৰা মই দুৰ্গা পূজাৰ নাম শুনিলেই বৰ আনন্দ পাওঁ। প্ৰতি বছৰেই মই পৰিয়ালৰ লগত পূজা চাবলৈ যাওঁ। মোৰ পছন্দৰ বহুতো বস্তু দেউতাই মোক কিনি দিয়ে। এইবাৰো পূজা চাবলৈ গৈছিলো কিন্ত এইবাৰ পূজাত আগৰদৰে আনন্দ নাপালো। মানুহৰ ভিৰো কম আৰু আমি বেছি দেৰিলৈকে পূজা চোৱাও নাছিলো। অষ্টমীৰ দিনা মাৰ লগত দেৱী পূজা কৰিবলৈ গলো আৰু নৱমীৰ দিনা গাড়ীৰপৰাই পূজা চালো। কৰ'ণাৰ কাৰণে মই এইবাৰ এটাও বস্তু নিকিনিলো আৰু একো বস্তু নাখালো। যোৱাবাৰ পূজাৰ স্মৃতি লৈ ঘৰলৈ ঘূৰি আহিছিলো। দেৱীক প্ৰণাম জনাইছিলো সকলো আগৰ দৰেই কৰি দিবলৈ।

# আনন্দৰ উৎসৱ দুৰ্গা পূজা

নীহাৰিকা গোস্বামী
পঞ্চম শ্ৰেণী

দুৰ্গা পূজা হিন্দুসকলৰ এটা আনন্দৰ উৎসৱ। শৰৎকালত এই পূজাৰ আয়োজন কৰা হয় বাবে শাৰদীয় পূজা বুলি কোৱা হয়। আহিন মাহৰ শুক্লা ষষ্ঠীৰ পৰা শুক্লা দশমীলৈ আয়োজন কৰা পূজাত ষষ্ঠীৰ দিনা দেৱীক স্থাপন কৰা হয়। চাৰি দিন পূজাৰ অন্তত দশমীৰ দিনা দেৱীক নদীত বিসৰ্জন দিয়া হয়। পূজা অহাৰ আগতেই আমি নতুন কাপোৰ, জোতা আৰু নানান ধৰণৰ বস্তু কিনো। ষষ্ঠীৰ দিনাই মই মোৰ বান্ধৱীসকলৰ লগত পূজাৰ কোনদিনা কি কি কৰিম ঠিক কৰি থও। এইকেইদিন  আমি আটাইকেইজনীয়েই ৰাতিপুৱা সোনকালে উঠি বাগিছাত থকা শেৱালি জোপাৰ সৰি থকা ফুলবোৰ বুটলি মালা গাঠো। সেই মালা চাকি-ধূপ আৰু নৈৱদ্যৰ সৈতে দেৱীলৈ আগবঢ়াও। দুৰ্গা পূজাৰ মণ্ডপৰ বাহিৰত সৰু ডাঙৰ নানা ধৰণৰ বস্তুৰ দোকানত থকা বেলুন, পেঁপা, পিষ্টল,পুতলা, গাড়ী কিনি আনো। সন্ধিয়া পৰিয়ালৰ সৈতে পূজা চাবলৈ যাওঁ। বিজুলী বাতিৰ নানা ৰঙৰ পোহৰেৰে সজোৱা মণ্ডপ, দেৱীৰ  প্ৰতিমাসমূহ চাই বৰ ভাল লাগে। ঘৰলৈ উভতাৰ সময়ত আমি ৰেষ্টোৰেন্টত ৰাতিৰ সাজ খাইহে উভতো। এনেদৰে উপভোগ কৰা পূজা দশমীৰ দিনা  বিসৰ্জন দিয়াৰ লগে লগে অন্ত পৰে। সেইদিনা মোৰো মনটো বৰ বেয়া লাগে।

# মই কেনেদৰে পূজা উপভোগ কৰো

আস্মীত ফুকন
ষষ্ঠ শ্ৰেণী

পূজাৰ দিনকেইটাত মই খুউব ফূৰ্তি কৰো। দুৰ্গা মাক মই মনেৰে পূজা কৰো। পৰিয়াল আৰু বন্ধু-বৰ্গৰ লগত  লগ লাগি  খেলো, আনন্দ কৰো। হাতত পিষ্টল, বন্দুক লৈ খেলো, দুৰ্গামাক সেৱা জনাও, পূজাৰ প্ৰসাদ খাই বৰ ভাল পাওঁ। দেউতাৰ লগত গাড়ীত উঠি ঘূৰি ফুৰিবলৈ ভাল পাওঁ

আৰু য'তে ত'তে বন্দুক চলাই বৰ ভাল পাওঁ। এবাৰ মই বন্দুক চলাই থাকোতে এজন মানুহৰ গাত লাগি গ'ল। সেই মানুহজনক মই বৰ দুখেৰে ক্ষমা খুজিবলৈ ওচৰলৈ গৈছিলো, কিন্তু তেওঁ তেতিয়া গ'লগৈ। সেইদিনাৰ পৰা মই পিষ্টল, বন্দুক চলাবলৈ এৰি দিলো আৰু সকলোৰে লগত আনন্দেৰে কটাবলৈ ললো, যাতে কোনো আহত নহয়।  মোৰ পূজালৈ গৈ প্ৰসাদ আৰু ভোগ খাবলৈ মন যায়, গাড়ীত উঠি ঘূৰি ফুৰিবলৈ মন যায়। কিন্তু বৰ্তমান কৰ'ণা ভাইৰাচৰ বাবে এইবাৰ পূজা বৰ ভালদৰে পাতিব পৰা হোৱা নাই। মই আশা কৰো সকলো বিপদ-আপদ যেন সোনকালে আঁতৰি যায়। আমি যেন আকৌ আগৰ দৰে পূজাৰ আনন্দ উপভোগ কৰিব পাৰো।

## হে মা দুৰ্গা পুনৰ সেই দিনবোৰ ঘূৰি আহিবনে ?

কৃতাৰ্থ কৌশিক
অষ্টম শ্ৰেণী

শাৰদীয় দুৰ্গা পূজা মই বৰ ভাল পাওঁ। ঘৰৰ সকলোৱেই আমি এই পূজাত দেৱীক উপাসনা কৰো। যোৱাবছৰলৈকে দেউতাৰ লগত ওলাই গৈ বিভিন্নধৰণৰ খেলা বস্তু কিনিছিলো। সেইবোৰৰ ভিতৰত মোৰ আটাইতকৈ ভাল লগা খেলা বস্তুটো আছিল এটা পেঁপা। এই পেঁপাটো মই বহুত বছৰ বৰ ভালকৈ ৰাখিছো। কিয়নো এই পেঁপাটো বজালে বৰ ধুনীয়া মাত ওলায়। দুৰ্গা পূজাত মই বহুবোৰ গোঁসানীৰ মূৰ্তি দেখিছো কিন্তু এইসকলৰ ভিতৰত যোৱাবছৰৰ আমাৰ ঘৰৰ ওচৰৰ দুৰ্গা গোঁসানীজনা বৰ ভাল লাগিছিল। এই গোঁসানীজনা ৰখা মণ্ডপটো আমি সকলোৱে বৰ সুন্দৰকৈ সজাইছিলো। আমি খাবলৈ ব্যৱহাৰ কৰা কাগজৰ প্লেট,চামুচ,গিলাচেৰে মণ্ডপটো সজোৱাৰ লগতে ৰাষ্টাটোও সুন্দৰকৈ সজোৱা হৈছিল। নিজে মণ্ডপটো সজোৱাৰ কাৰণে এই গোঁসানীজনাৰ প্ৰতি মোৰ ভালপোৱাটো বেছি আছিল। এইবাৰ কৰ'ণা ভাইৰাচৰ  কাৰণে দুৰ্গা মাৰ পূজা কৰিব নোৱাৰিলো যদিও আশা কৰিছো অহা বছৰ সকলো ঠিক হৈ যাব । আমি যাতে সকলোৱে আকৌ আগৰ দৰেই মাৰ পূজা কৰিব পাৰো ।

# মা দুৰ্গা

অয়ন শইকীয়া
ষষ্ঠ শ্ৰেণী

দেৱী দুৰ্গা শক্তিৰ প্ৰতীক। তেওঁ বিপদ আৰু দুৰ্গতিৰ পৰা ভক্তক উদ্ধাৰ কৰে। দুৰ্জনক সংহাৰ কৰে। সেইকাৰণে তেওঁক বিপদনাশিনী বুলি কোৱা হয়। শৰত কালত উদযাপন কৰা হয় বাবে ইয়াক শাৰদীয় পূজা বোলা হয়। মা দুৰ্গা শক্তিৰ প্ৰতীক। প্ৰতি বছৰে মই দুৰ্গা পূজা মা-দেউতাৰ লগত উপভোগ কৰি আহিছো। পূজাৰ ১০-১২ দিন আগতে নতুন কাপোৰ কিনো। সেই নতুন কাপোৰ পিন্ধি দুৰ্গা মাক চাবলৈ অধীৰ আগ্ৰহেৰে ৰৈ থাকো। পূজা আৰম্ভ নোহোৱালৈকে পূজা মণ্ডপত মূৰ্তিসমূহ ঢাকি ৰখা হয়। পূজা আৰম্ভ হলেহে দুৰ্গা মাক দেখা পাওঁ। পূজাৰ কেইদিনত ৰাতিপুৱা সোনকালে উঠি শেৱালি ফুল বুটলো , মাৰ লগত মালা গুঠো আৰু মা দেৱী দুৰ্গাক পিন্ধাও। সন্ধিয়া আৰতি চাবলৈ যাও। লগতে নানান দোকান-পোহাৰ দেখো , তৰহে তৰহে নানান লাইট দেখা পাওঁ কাৰণে মা-দেউতাৰ লগত পূজা চাবলৈ ওলাই যাওঁ। বেলুন কিনো , পিষ্টল কিনো, জিলাপী কিনো । নিজেও খাও আৰু আনকো বিলাও। মামাইঁতে পূজা চাবলৈ পইচা দিয়ে । বৰ আনন্দ পাওঁ। দিনত লগৰীয়াৰ লগত খেলো আৰু সন্ধিয়া মা-দেউতাৰ লগত পূজা চাই ৰাতিৰ সাজ হোটেলতে খাই আহো। মোৰ এনেকুৱা লাগে পূজা যেন সদায়েই থাকি যাওঁক , সদায় যেন এনেদৰে ফূৰ্তি কৰিব পাৰো, পৰিয়ালৰ মানুহবোৰক যেন সদায়েই লগ পাই থাকো। কিন্তু কথাবোৰ তেনেকুৱা নহয়। দশমীৰ দিনা মা দুৰ্গাক পানীত উটুৱাই দিয়া হয় আৰু মনটো বৰ বেয়া লাগে। কিন্তু আকৌ পূজা কেতিয়া আহিব বুলি বহু আগ্ৰহেৰে বাট চাই থাকো।

# মোৰ দুৰ্গা পূজা

অৰ্চিত ফুকন
ষষ্ঠ শ্ৰেণী

আকাশমাৰ্গেৰে দুৰ্গা গোসানী পৃথিৱীলৈ নামি আহে। পৃথিৱীত আটায়ে গোসানীৰ মাটিৰ মূৰ্ত্তি সাজে আৰু পূজা হোৱা স্থানত ষষ্ঠীৰ দিনা প্ৰতিষ্ঠা কৰে। পূজাৰ মণ্ডপসমূহলৈ আমি নতুন কাপোৰ পিন্ধি পূজা চাবলৈ যাও আৰু তাত বাহিৰে ভিতৰে থকা দোকান-পোহাৰসমূহৰপৰা বেলুন, পেঁপা, বন্দুক আদি নানা খেলনা সামগ্ৰী কিনো, বিভিন্ন ধৰণৰ মিঠাই , জিলাপী আদি খাও। পূজাৰ মণ্ডপলৈ গৈ দেৱীক প্ৰণাম জনাও, পূজাৰ নিৰ্মালি লও, ফোট লও, প্ৰসাদ খাও, ভোগ খাও,আমি কৰা ভুল-ক্ৰটিবোৰৰ কাৰণে ক্ষমা খুজো আৰু আমাৰ ভাল হ'বলৈ প্ৰাৰ্থনা জনাও। এই সময়তে শেৱালি ফুল ফুলে। এই ফুলৰ গোন্ধ বৰ সুন্দৰ। নিয়ৰ পৰে , কহুৱা ফুলে , এটা বৰ সুন্দৰ পৰিবেশ হয়। পূজাৰ দহদিনৰ দিনা বিজয়াদশমী বা দচেৰা হয়। সেইদিনা দেৱী বিসৰ্জন দিয়া হয় , কোনো কোনো ঠাইত ৰাৱণকো জলাই দিয়া হয়। এই পূজাৰ কেইদিন আমাৰ পঢ়াশালি বন্ধ থাকে। কিন্তু যিসকল বোৰ্ডিং স্কুলত থাকে সেইসকলে পূজাৰ এই আনন্দ উপভোগ কৰিবলৈ নাপায়।



## কবিতাৰ কৰণিত

# নিয়ৰ

আস্থা বৰা
দশম শ্ৰেণী

পুৱতি নিশাৰ নিয়ৰৰ টোপালে কি জানো বুজাব খোজে
এইয়া তলসৰা শেৱালীৰ চকুলো নে , ম্লান পৰা তৰালীৰ ক্ষোভ!

কিহৰ বেজাৰত আকাশৰ চকুলো সৰে ?

নে ,এই কণিকাই দিব খোজে নেদেখা সিপাৰৰ বতৰা ?

নমাই আনিব খোজে আকাশৰ বিশালতা,

ডাৱৰৰ বগা ন-জোনটিৰ ,তৰালীৰ হেঁকুৱাৰ বেদনা ?

নে, সূৰ্য্যৰ নতুন আভাত নিহিত নিত্য নতুন আশা ?

নিয়ৰ.... ৰহস্যময়ী কণিকা

সেই নিয়ৰৰ মাজতেই বিচাৰো বহল আকাশখন, নিভাজ বগাকণ

মোৰ দৰেই জোনটিৰো অভিমানী হিয়াখন

আৰু  সূৰ্য্যৰ সোণালী কিৰণৰ উদ্যম।

বাট চাই ৰও ,নিশাৰ অন্তত পুৱাটি আহিব

পৃথিৱীখন ছানি ধৰি নিয়ৰবোৰ সৰিব।

মই সোমাই যাম তাৰ দুবাহুত


ৰহস্যৰ পৃথিৱীখন মোৰ হৈ পৰিব।



## অপেক্ষা

কংকণা ঋতুৰাজ শইকীয়া
সপ্তম শ্ৰেণী

বাৰিষাৰ বানপানীৰ মাজত
কৃষকৰ আধৰুৱা সপোন
সোণগুটীয়া ধাননি পথাৰত
ক'ৰবাত পৰি ৰয় দাৰুনীৰ কাঁচিখন।
পানী মাথো পানী
চূৰ্ণ-বিচূৰ্ণ সপোন
চকুৰ পানীৰ টোপালবোৰ
মাজে মাজে সৰি পৰে চোন।
সন্ধিয়াৰ বেলিটিয়ে বিদায় ল'বলৈ ওলাইছে
আকৌ এটা নতুন দিনৰ অপেক্ষা
আধৰুৱা সপোনবোৰ যেন ৰৈ আছে
এক নতুন দিগন্তৰ অপেক্ষাত
অপেক্ষা মাথো অপেক্ষা ---
শৰতৰ ---।



## জিলাপী

মাধূৰ্য্য মাধৱ
সপ্তম শ্ৰেণী

মোৰ নাম জিলাপী
ৰং মোৰ হালধীয়া
সময় নাই অসময় নাই
খায় পুৰা দুপৰীয়া।
ময়দাৰে মোক বনায়
খাবলৈ কি যে মজা
পূজাৰ বতৰত ময়েই কিজানি
মিঠাইৰ হও ৰজা।
তেল আৰু ঘিউত মোক
ভাজে পাক দি পকায়
ভজাৰ পিছত গৰমে গৰমে
চেনী পানীত ডুবায়।
চেনী পানীত ডুব খাই
হওঁ মই ৰসময়
তাৰ পিছত মানুহে মোক
টকালি টকালি খায়।

## মা দেৱী দুৰ্গা

ঈষিকা দাস
সপ্তম শ্ৰেণী

শৰত কালত দুবৰি বনত নিয়ৰ টোপাল সৰে
শেৱালি ফুলেও জকমকাই চোতাল ভৰি পৰে।
তোমাৰ আগমণিত আটাইৰে মন আনন্দত নাচি উঠে
ভক্তগণে আৰাধনা কৰে কাকূতি মিনতিৰে।
হে মা দুৰ্গা বিপদনাশিনী, অপাৰ মহিমা তোমাৰ
তোমাৰ পূজাই নমাই আনক জগতৰ শান্তি অপাৰ।

## বেলুন

অৰ্চিত ফুকন
ষষ্ঠ শ্ৰেণী

বেলুন বেলুন বেলুন বেলুন
সৰুতেই খেলিছিলো
এতিয়া ল'বলে লাজ লাগে
চাগে ডাঙৰ হলো।
পূজাত বেলুন, মেলাত বেলুন,
জন্মদিনতো বেলুন
এদিন দেখোন উৰি যামগৈ
হৈ এটা বেলুন।
কেতিয়া যে উৰি যাম
গমকে নেপাম
কেতিয়া যে ফুটি থাকিম
ততকে নেপাম।
কেতিয়াবা মন যায়
বেলুনৰ দৰে উৰিম
চৰাইৰ দৰে পাখি মেলি
আকাশত ফুৰিম।






# কথাৰ পাকতেই...

## আপোন ভালেই জগত ভাল -

আমাৰ স্বভাৱ চৰিত্ৰ ভাল হ'লে , আমি আনক ভাল ব্যৱহাৰ কৰিলে সকলোৰেপৰা সদায় ভাল ব্যৱহাৰ পোৱা যায়। কিন্তু আনক বেয়া ব্যৱহাৰ কৰি আনৰপৰা ভাল ব্যৱহাৰ আশা কৰাটো মিছা। আমি যদি নিজে সত্য পথত থাকো আমাক আনে হাজাৰবাৰ চেষ্টা কৰিও অপকাৰ কৰিব নোৱাৰে। আমি প্ৰত্যকজনেই যদি সকলোৰেই লগত মিলিজুলি থাকিব পাৰো আনেও আমাক সাদৰ কৰিব। এই যোজনাটিৰেই ইয়াকে বুজাব বিচাৰিছে ।



## উজলিলে সোণ নহয় -

উজ্বল হালধীয়া বৰণৰ সোণ অতি মূল্যবান ধাতু । সোণৰ দৰে আন কিছুমান বস্তুও দেখাত উজ্বল। কিন্তু সোণৰ দৰে উজ্বলি থকা সকলো বস্তুৱেই সোণ বুলি ভাবি তাৰ চিকমিকনিত ভোল গ'লে নিজে ঠগ খাব লাগিব। সেয়েহে বাহিৰৰ উজ্বলতা দেখিয়েই বস্তুৰ গুণগতা সম্পৰ্কে নজনাকৈ আমি কোনো বস্তুৰ প্ৰতি সহজে আকৰ্ষিত নহ'বলৈ বুজোৱাৰ প্ৰসঙ্গত উক্ত যোজনাটিৰ ব্যৱহাৰ কৰা হৈছে।



## নাও বুৰিলেও টিঙৰপৰা ননমা -

সকলো মানুহৰেই সদায় ভাল দিন নাযাবও পাৰে। এনে দিন বা অৱস্থাত মানুহে গপ, ভেম , অহংকাৰ সকলো ত্যাগ কৰে। কিন্তু আমাৰ মাজতেই এনে মানুহ থকা দেখা যায় যে অতি বেয়া অৱস্থাতো তেওঁলোকে নিজৰ গপ নেৰে, লাগিলে নিজৰেই চৰম সৰ্বনাশ হওক। এনে সময়তো এনেধৰণৰ মানুহসকলে তেওঁলোকৰ ফোঁপযুক্তী কথাৰে মানুহক নিজৰ ভেম প্ৰকাশ কৰে। এনেধৰণৰ মানুহক বুজোৱাৰ প্ৰসঙ্গতে নাও বুৰিলেও টিঙৰপৰা ননমা যোজনাটি ব্যৱহাৰ কৰা হৈছে।

# বিজ্ঞজনে কি কৈছে?

০০ কিতাপ হ'ল মানুহৰ চমকপ্ৰদ সৃষ্টি। কোনো বস্তুৱেই চিৰস্থায়ী নহয়। স্থাপত্য, নিৰ্মাণকাৰ্য্য, ৰাষ্ট্ৰ আদিও ধ্বংস হব পাবে ,কিন্তু কিতাপৰ প্ৰভাৱ যুগমীয়া।

-ড০ মামণি ৰয়ছম গোস্বামী

০০ যিসকলে নিজৰ মূল লক্ষ্য স্থিৰ ৰাখি কৰ্তব্যৰ পথত নীৰৱে আগবাঢ়ে তেওঁলোকেই সমাজৰ লগতে জগতৰ ভৱিষ্যতৰ আশাৰ থল।

- ড০ বাণীকান্ত কাকতি

০০জীৱনৰ অভিজ্ঞতাৰপৰা আমি এই কথা শিকিছো যে কোনো কাম নকৰাকৈ শুই বহি থাকিবলগা হোৱাতকৈ ডাঙৰ যন্ত্ৰণা আন একো নাই।

- হোমেন বৰগোহাঞি

০০ এজন মানুহক ,এটা দিনক, এটা ৰাতিক একোখন মহৎগ্ৰন্থ বুলি বিবেচনা কৰিবা।

- ভবেন্দ্ৰ নাথ শইকীয়া

সম্পাদক - নৱদ্বীপ ডেকা
উপ সম্পাদক - ভিৰাজ গোস্বামী
সহকাৰী সম্পাদক - হানা চানিফাৰ, নিশান্ত শৰ্মা, অৰ্চিষ ফুকন
অলংকৰণ - হানা চানিফাৰ, নৱদ্বীপ ডেকা, কৃতাৰ্থ কৌশিক
সমন্বয়ক - ৰিতুদ্বীপ ডেকা , য়শংকৰ বৰ্ঞ্জিৎ , ৰেয়ান আলম
ছবি অংকণ - শুভেচ্ছা বৰা , দিব্যিজা দিব্যজ্যোতি
তত্বাৱধায়িকা - ড০ পৰিণীতা গোস্বামী , প্ৰাৰ্থনা বৰা ফুকন
প্ৰকাশক - অসমীয়া বিভাগ , দ্য অসম ভেলী স্কুল , বালিপাৰা - ৭৮৪১০১, শোণিতপুৰ - অসম
কাৰিকৰী উপদেষ্টা - শ্ৰীযুত ৰূপজ্যোতি দাস, প্ৰশাসক, তথ্য আৰু প্ৰযুক্তিবিদ্যা
পৃষ্ঠপোষক - ড০ বিধুকেশ বিমল, প্ৰধান শিক্ষক, দ্য অসম ভেলী স্কুল